*গণিতৰ প্ৰথমজন 'প্ৰথম শ্ৰেণীৰ প্ৰথম' অসমীয়া*

# কামেশ্বৰ দাস : এক অসাধাৰণ প্ৰতিভা


## ড° তাৰকেশ্বৰ চৌধুৰী


অসমত গণিত শিক্ষাৰ প্ৰসাৰ আৰু গণিত জনপ্ৰিয়কৰণত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা ড° তাৰকেশ্বৰ চৌধুৰী 'অসম গণিত শিক্ষায়তন'ৰ প্ৰথমগৰাকী সাধাৰণ সম্পাদক আৰু দ্বিতীয়গৰাকী সভাপতি। তেখেতৰ এই লেখাটি 'গণিত বিকাশ'ৰ একবিংশতিতম সংখ্যা (Volume 21, জুলাই-ডিচেম্বৰ, ১৯৯৭) ত প্ৰকাশ পাইছিল।

বৰপেটা জিলাৰ বজালী অঞ্চলৰ বামাখাটা এখন সৰু গাঁও। উনৈশ শতিকাৰ শেষৰ ফালে এই গাঁৱত এটা বৰ দুখীয়া পৰিয়াল বাস কৰিছিল। মানুহজনৰ নাম আছিল বাণহু। তেওঁৰ চাৰিটা পুত্ৰ সন্তান। পৰিয়ালটো আৰ্থিক অনাটনত ইমানেই জুৰুলা আছিল যে তেওঁ সন্তানৰ শিক্ষাৰ কথা ভাবিবই পৰা নাছিল। ইয়াৰ মাজতে সৰু ল'ৰা কামোৰ বয়স সাতবছৰমান হোৱাত পৰিয়ালটোলৈ আৰু অধিক দুৰ্যোগ নামি আহিল। এদিন বাণহু ঢুকাই থাকিল আৰু তাৰ কিছুদিন পাছতে ডাঙৰ ল'ৰা দুটাও ইহ সংসাৰৰ পৰা আঁতৰি গ'ল। মাক ৰতিপ্ৰিয়াৰ মূৰত সৰগ ভাগি পৰিল। ল'ৰা দুটাক কেনেকৈ দুবেলা দুমুঠি অন্নৰ যোগান ধৰে? উপায় নাপাই তেওঁ আনৰ ঘৰত ধান বনা, কাপোৰ ধোৱা আদি কাম কৰি অতি কষ্টৰে সংসাৰ চলাবলৈ আৰম্ভ কৰিলে। অভাৱে মাক ৰতিপ্ৰিয়াক ইমান জুৰুলা কৰিলে যে উপায়ান্তৰ নেদেখি সাতবছৰীয়া ল'ৰা কামোক নামমাত্ৰ পাৰিশ্ৰমিকত আনৰ ঘৰৰ গৰু ম'হ চৰাবৰ কাৰণে গৰখীয়া কৰিলে।

সেইখন গাঁৱত এখন প্ৰাথমিক বিদ্যালয় আছিল। গৰখীয়া লৰাটোৱে বিদ্যালয়খনৰ খেলপথাৰত গৰুবোৰ চৰিবলৈ দি বাহিৰৰ পৰা শিক্ষকে ল'ৰা-ছোৱালীবোৰক পাঠদান কৰা চাই থাকে। প্ৰতিদিনে গৰখীয়া ল'ৰা এটাই বাৰান্দাত থিয় হৈ একান্তমনে পাঠদান কৰা চাই থকা ঘটনাটো লাহে লাহে শিক্ষকসকলৰ চকুত পৰিল।

এদিন এটা ঘটনা ঘটিল। আগদিনা পঢ়োৱা পাঠৰ বিষয়ে শিক্ষকে শ্ৰেণীত এটা প্ৰশ্ন কৰিলে। প্ৰশ্নটোৰ উত্তৰ কোনেও দিব নোৱাৰাত শিক্ষকজনে বাহিৰত থিয় হৈ থকা গৰখীয়া ল'ৰাটোলৈ চালে আৰু ইংগিতেৰে ওচৰলৈ মাতি নি সুধিলে "এই উত্তৰটো দিব পাৰিবিনে?" শিক্ষকজনক আচৰিত কৰি ল'ৰাজনে শিক্ষকজনে বিচৰা ধৰণে সম্পূৰ্ণ শুদ্ধ উত্তৰ দিলে। শিক্ষকজন যথেষ্ট আকৃষ্ট হ'ল আৰু তেওঁক প্ৰধান শিক্ষকৰ ওচৰলৈ লৈ গ'ল। প্ৰধান শিক্ষকজনৰ নাম আছিল সন্তৰাম চৌধুৰী। প্ৰধান শিক্ষকে ল'ৰাজনক পঢ়িবৰ ইচ্ছা আছে নেকি সুধিলে। ল'ৰাজনে বিনম্ৰ উত্তৰ দিলে যে ইচ্ছা থাকিলেও তেওঁলোকৰ নিচিনা আৰ্থিক অনাটনত জুৰুলা পৰিয়ালৰ ল'ৰাৰ বাবে সেয়া সম্ভৱ নহয়। প্ৰধান শিক্ষকে উৎসাহ দি ক'লে, "তই ভাবি চাবি। ময়ো কিবা কৰিব পাৰোনে চাম।"

সন্ধিয়া ল'ৰাটোৱে মাকক সকলো কথা বিৱৰি ক'লে। মাকে কিন্তু ল'ৰাটোক অলপো উৎসাহ নিদিলে, বৰং ওলোটাকৈহে বুজালে। মাকে ক'লে, "যি পৰিয়ালৰ দুবেলা দুমুঠি অন্ন সংগ্ৰহেই সমস্যা সেই পৰিয়ালৰ ল'ৰাৰ কাৰণে লেখা-পঢ়া সম্ভৱ নহয়। সেইকাৰণে এইবোৰ কথা তই নাভাবিবি বোপাই।"

সন্তৰাম চৌধুৰী অঞ্চলটোৰ এজন বিশিষ্ট ব্যক্তি,

শিক্ষাৰ প্ৰতি ধাউতি থকা প্ৰকৃত শিক্ষাবিদ। ল'ৰাটোৰে যি নকওক কিয় তেওঁৰ মনৰ ভিতৰত যে শিক্ষাৰ প্ৰতি অদম্য উৎসাহ আছে তাক তেখেতে ভালকৈ বুজি পালে। ল'ৰাটোৰ মাজত তেখেতে কিবা এটা বিশেষ প্ৰতিভা দেখা পালে আৰু সেয়েহে তেখেতে সেই প্ৰতিভাখিনি ফুটাই তুলিবলৈ ঠিক কৰিলে।

ইয়াৰ পাছত এদিন চৌধুৰী ডাঙৰীয়াই ল'ৰাটোৰ কাৰণে ফলি-পুথিৰ যোগাৰ কৰি তেওঁক শ্ৰেণীকোঠাত বহাৰ ব্যৱস্থা কৰি দিলে। ল'ৰাটোৰ মনত অপাৰ আনন্দ। তেওঁ পঢ়িব। ঘৰলৈ গৈ মাকক ফলিপুথি দেখুৱালে। ঘৰত কিন্তু ইয়াৰ প্ৰতিক্ৰিয়া ওলোটা হ'ল। মাক খঙত জ্বলি উঠিল। পুথিখন ফালি চিৰাচিৰ কৰি ফলিখন দলিয়াই পেলালে। ল'ৰাটোক স্পষ্ট ভাষাত ক'লে যে সি পঢ়িব নোৱাৰে। গৰখীয়াৰ কামটো কৰিবই লাগিব। মাককো দোষ দিব নোৱাৰি, কাৰণ তেওঁলোকৰ ল'ৰা দুটাক লৈ তেখেত জীয়াই থাকিবলৈ ল'ৰাটোৰ পাৰিশ্ৰমিকখিনিৰ অতি প্ৰয়োজন। সেইখিনি বন্ধ হ'বলৈ দিব নোৱাৰে।

ঘটনাটো চৌধুৰী ডাঙৰীয়াৰ কাণত পৰিল। মনত দুখ পালেও তেখেত হতাশ নহ'ল। মনত ঠিক কৰি লোৱা কামটো সম্পূৰ্ণ কৰিবলৈ তেখেত দৃঢ়প্ৰতিজ্ঞ হ'ল। প্ৰথমে গাঁৱৰ কিছুমান মুখিয়াল ধৰণৰ মানুহৰ দ্বাৰা মাকক বুজাবলৈ ধৰিলে। মাক অকণমান কোমলা যেন পাই এদিন তেখেত নিজে গৈ মাকৰ ওচৰত উপস্থিত হ'ল। প্ৰধান শিক্ষক তেওঁলোকৰ নিচিনা দুখীয়া মানুহৰ ঘৰলৈ যোৱাত মাক বৰ আচৰিত হ'ল আৰু তেখেতক বিমুখ কৰিব নোৱৰা হ'ল। অৱশেষত এটা চৰ্তত মাক সন্মত হ'ল। চৰ্তটো হ'ল: ল'ৰাটোৰ পাৰিশ্ৰমিকখিনি পাই থাকিব লাগিব। চৌধুৰী ডাঙৰীয়াই চৰ্তটো মানি ল'লে আৰু ল'ৰাটোক পাছদিনা স্কুলত নাম লিখাৰ অনুমতি লৈ সন্তুষ্ট মনেৰে তেওঁলোকৰ ঘৰৰপৰা উভতিল।

মাকৰ সন্মতি পোৱাৰ পাছত ১৯০১ চনত ল'ৰাটোক বিদ্যালয়ৰ ছাত্ৰৰূপে ভৰ্তি কৰা হ'ল। কামোৰ ঠাইত নাম হ'ল কামেশ্বৰ দাস আৰু পিতাকৰ নাম বাণহুৰ পৰা বাণেশ্বৰ কৰিলে। সমস্যা হ'ল বয়সক লৈ। যিহেতু তেওঁলোকৰ কোনো সোঁৱৰণী বা কোষ্ঠী নাছিল, গতিকে গাঁৱৰ তেওঁতকৈ আগেয়ে জন্মা আৰু পাছত জন্মা ল'ৰাৰ জন্ম তাৰিখ সাপেক্ষে অনুমান কৰা হ'ল ল'ৰাটোৰ জন্ম হয় ১৮৯২ চনৰ একেবাৰে শেষৰ পিনে নহ'লে ১৮৯৩ চনৰ আদি ভাগত। প্ৰধান শিক্ষকে জন্মদিন ঠিক কৰি দিলে ১৮৯৩ চনৰ ১ মাৰ্চ। কামেশ্বৰ দাস সম্পৰ্কীয় প্ৰকাশিত প্ৰবন্ধ এটাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন পঞ্জীয়ক শ্ৰীযুত চিদানন্দ দাসদেৱে এইদৰে লিখিছে যে এবাৰ হেনো তেখেতসকল কেইজনমান বন্ধুৱে লগ হৈ তেখেতক সুধিছিল জন্মদিনৰ কথা। দাসদেৱে ৰগৰ কৰি উত্তৰ দিছিল, "গৰখীয়া ল'ৰাৰ কিহৰ জন্মদিনহে? গৰু চাৰি ফুৰোঁতে বাল্যকাল পাৰ হৈ গ'ল।" সেই প্ৰবন্ধতে শ্ৰীযুত দাসদেৱে লিখিছে যে জন্মৰ দিন দূৰৈৰ কথা, বছৰ সম্পৰ্কেও তেখেতৰ কোনো ধাৰণা নাছিল।

সেই সময়ত বিদ্যালয়বোৰত প্ৰখৰ মেধাশক্তিৰ ছাত্ৰৰ বাবে ডবল প্ৰমোছনৰ ব্যৱস্থা আছিল। কামেশ্বৰ দাস যেতিয়া ডবল প্ৰমোছন পাই দ্বিতীয় শ্ৰেণী পালে, প্ৰধান শিক্ষকে তেতিয়াই তেওঁক বৃত্তি পৰীক্ষা দিয়াবৰ ইচ্ছা কৰিলে। কিন্তু যিহেতু তেওঁলোকৰ স্কুলৰ পৰা মাত্ৰ দুজন ল'ৰাইহে বৃত্তি পৰীক্ষাত বহিব পাৰে, গতিকে কিছুমানৰ পৰা এনেয়ে তেওঁক এবছৰ আগতে বৃত্তি পৰীক্ষাত বহিব দিয়াত আপত্তি উঠিল। গতিকে ঠিক হ'ল বাছনি পৰীক্ষা লোৱাৰ। তেওঁক বাছনি পৰীক্ষাত দ্বিতীয় শ্ৰেণীৰ পৰাই বহিব দিয়া হ'ল। বাছনি পৰীক্ষাত তেওঁ দ্বিতীয় স্থান অধিকাৰ কৰে আৰু মূল পৰীক্ষা দিয়াৰ যোগ্যতা অৰ্জন কৰে। মূল পৰীক্ষাত তেখেতে বৃত্তি লাভ কৰিবলৈ সক্ষম হয়।

সেই সময়ত সমগ্ৰ বজালী অঞ্চলৰ শিক্ষাৰ কেন্দ্ৰ আছিল চৌখুটি নামৰ এখন গাঁও। এই গাঁৱত এখন এম. ভি. স্কুল আছিল। এই স্কুলখন কেতিয়া প্ৰতিষ্ঠা হৈছিল ঠিক জনা নাযায়। এই স্কুলত পঢ়া বহুতো ল'ৰাই পাছত উন্নতিৰ উচ্চ শিখৰলৈ উঠিব পাৰিছিল। কামেশ্বৰ দাসে প্ৰাথমিক শিক্ষা শেষ কৰাৰ সময়ত এই স্কুলখনৰ প্ৰধান শিক্ষক আছিল পৰমানন্দ দত্তচৌধুৰী। সন্তৰাম চৌধুৰীয়ে দত্তচৌধুৰীক লগ ধৰিলে আৰু কামেশ্বৰ দাসৰ নাম

ভৰ্ত্তি কৰাৰ কথা ক'লে। মাকক বুজালে ল'ৰাই 'ছাত্ৰ বৃত্তি' পাছ কৰিলে মণ্ডল হ'ব পাৰিব। সেই সময়ত মণ্ডল হোৱাটোৱে বহুতো ল'ৰাৰ উচ্চ আকাংক্ষা আছিল। কামেশ্বৰ দাসৰ পৰিয়ালতো ইচ্ছা আছিল তেওঁক মণ্ডল কৰাৰ।

১৯০৪ চনত কামেশ্বৰ দাসক সেই স্কুলত ভৰ্তি কৰা হ'ল। চৌধুৰীৰ অনুপ্ৰেৰণা, দত্তচৌধুৰীৰ উৎসাহ আৰু নিজৰ একানপতীয়া চেষ্টাৰ ফলত তেওঁ তিনিবছৰীয়া পাঠ্যক্ৰম দুই বছৰতে শেষ কৰি 'ছাত্ৰ বৃত্তি' শিক্ষান্ত পৰীক্ষাত বহিল। সকলোৱে ভবামতে এই পৰীক্ষাতো তেওঁ বৃত্তি লাভ কৰাৰ লগতে বৰপেটা মহকুমাত প্ৰথম হ'ল।

ছাত্ৰবৃত্তি পৰীক্ষাৰ ফলাফলে সকলো হিচাপ ওলট-পালট কৰি দিলে। খুব বেছি উৎসাহিত হ'ল সন্তৰাম চৌধুৰী ডাঙৰীয়া। মণ্ডল কৰি ল'ৰাটোক শেষ কৰি দিব নোৱাৰি। তাতোকৈ বহু বেছি সম্ভাৱনা ল'ৰাটোৰ মাজত তেখেতে দেখা পালে। মাকক বুজালে যে ল'ৰাটো মণ্ডলতকৈ বহু বেছি ডাঙৰ হ'ব পাৰিব। সেয়েহে তেওঁক আৰু পঢ়োৱাৰ প্ৰয়োজন। বিভিন্নজনৰ মুখত ল'ৰাটোৰ প্ৰশংসা শুনি শুনি মাকেও বিশ্বাস কৰিলে যে তেওঁৰ ল'ৰাৰ বিশেষ প্ৰতিভা আছে। সেয়েহে এইবাৰ তেখেতে অলপো আপত্তি নকৰিলে।

সেই সময়ত বজালী অঞ্চলত কোনো হাইস্কুল নাছিল। গোটেই বৰপেটা মহকুমাৰ (বৰ্তমান জিলা) একমাত্ৰ হাইস্কুলখন হ'ল বৰপেটাৰ চৰকাৰী উচ্চ ইংৰাজী স্কুল। গতিকে হাইস্কুলত পঢ়িবলৈ হ'লে বৰপেটাৰ ছাত্ৰাবাসত থাকি পঢ়িব লাগিব। সেই সময়ত হাইস্কুলৰ ছাত্ৰাবাস আছিল। ছাত্ৰাবাসত থাকি পঢ়িবৰ কাৰণে অৰ্থৰ প্ৰয়োজন। সেই অৰ্থৰ যোগাৰ কেনেকৈ কৰা যায়? চিন্তা হ'ল সন্তৰাম চৌধুৰীৰ। হঠাতে এদিন বিজনী অঞ্চলৰ কোনো এখন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক এজন বামাখাটালৈ আহিল। তেখেতৰ নাম চন্দ্ৰ পণ্ডিত। পণ্ডিতৰ লগত চৌধুৰী ডাঙৰীয়াৰ সাক্ষাৎ হ'ল। কথা-প্ৰসংগতে চৌধুৰীয়ে তেখেতসকলৰ গাঁৱৰ বিশেষ প্ৰতিভাসম্পন্ন ল'ৰাজনৰ কথা ক'লে।

সেই সময়ত বিজনী মৌজাৰ মৌজাদাৰ আছিল পুষ্পৰাম চৌধুৰী। পণ্ডিতে ক'লে যে তেখেতৰ আৰ্থিক অৱস্থা নদন-বদন – মানুহজন বৰ উদাৰ আৰু প্ৰকৃত শিক্ষাপ্ৰেমী। পঢ়া-শুনাত ভাল ল'ৰাক তেখেতে বৰ ভাল পায় আৰু প্ৰয়োজন অনুসৰি সহায়ো কৰে। পণ্ডিতৰ লগত আলোচনা কৰি চৌধুৰীয়ে ল'ৰাটো মৌজাদাৰৰ ওচৰলৈ নিয়াৰ ঠিক কৰিলে। পণ্ডিত নিজৰ ঘৰলৈ যোৱাৰ সময়ত চৌধুৰীও ল'ৰাটো লগত লৈ বিজনী অভিমুখে ৰাওনা হ'ল।

চৌধুৰী ডাঙৰীয়াই মৌজাদাৰৰ আগত ল'ৰাটোৰ বিষয়ে সকলো বিৱৰি ক'লে – কেনেকৈ স্কুলত নাম ভৰ্তি কৰা হ'ল, ঘৰৰ আৰ্থিক অৱস্থা আৰু দুয়োটা শিক্ষান্ত পৰীক্ষাৰ ফলাফল। মৌজাদাৰ ডাঙৰীয়াই ল'ৰাটোৰ লগতো কথা পাতিলে। তেখেতে সকলো কথা জনাৰ পাছত কথা দিলে যে মাহিলি এটকা দি তেখেতে সহায় কৰিব। লগতে ইয়াকো ক'লে যে, তেখেত বৰপেটালৈ গৈ তাৰ উকিল, মহৰীৰ ঘৰত ঘৰুৱা শিক্ষকতা কৰি যাতে নিজৰ খৰচৰ এটা অংশ নিজে উপাৰ্জন কৰিব পাৰে তাৰো ব্যৱস্থা কৰি দিব।

মৌজাদাৰৰ পৰা উৎসাহজনক আশ্বাস পাই এদিন চৌধুৰী আৰু দত্তচৌধুৰী ডাঙৰীয়াই ল'ৰাটো লগত লৈ নাৱেৰে গৈ বৰপেটাত উপস্থিত হ'ল। বৰপেটা উচ্চ ইংৰাজী স্কুলৰ প্ৰধান শিক্ষক কালিমোহন সেনগুপ্তক সাক্ষাৎ কৰি সকলো কথা বিৱৰি ক'লে। প্ৰধান শিক্ষকে তীক্ষ্ণ মেধাৰ ল'ৰাটো পাই ভাল পালে আৰু কথা দিলে যদিহে ছয় মাহৰ পাছত ইংৰাজী বিষয়ত পাৰদৰ্শিতা দেখুৱাব পাৰে, তেনেহ'লে ডবল প্ৰমোছন দি ওপৰৰ শ্ৰেণীত নাম লিখাই দিব। এইখিনিতে উল্লেখ কৰিব পাৰি যে সেই সময়ত এম. ভি. স্কুলত ইংৰাজী ভাষাটো পঢ়োৱা নহৈছিল। গতিকে এম. ভি. পাছ কৰা ল'ৰাই Class IV তহে নামভৰ্তি কৰিব পাৰিছিল। যি কি নহওক কামেশ্বৰ দাসে এইবাৰৰ ডবল প্ৰমোছনৰ সুবিধা গ্ৰহণ কৰিলে।

হাইস্কুলত পঢ়ি থাকোঁতে তেওঁৰ মাতৃ বিয়োগ হয়। দুখুনী ৰতিপ্ৰিয়াৰ জীৱন দুখতেই পাৰ হৈ গ'ল –

পুতেকৰ কৃতকাৰ্যতা নিজ চকুৰে দেখিবলৈ নাপালে। মাতৃ-বিয়োগৰ দুৰ্যোগেও কামেশ্বৰ দাসক অকণো বিচলিত কৰিব নোৱাৰিলে। তেওঁ সকলো বাধা নেওচি কঠোৰ পৰিশ্ৰম কৰি নিজ কৰ্তব্যত আগবাঢ়ি গ'ল। হাইস্কুলত পঢ়ি থাকোঁতে তেখেতে তেখেতৰ বহুমুখী প্ৰতিভাৰ পৰিচয় দিয়ে। স্কুল-আলোচনীৰ তেখেত বাণীকান্ত কাকতিৰ সৈতে যুটীয়া সম্পাদক আছিল। ইয়ে তেখেতৰ সাহিত্যত থকা প্ৰতিভাৰ পৰিচয় দিয়ে। তেখেত খেলা-ধূলাতো আগৰণুৱা আছিল। নৱম শ্ৰেণীত পঢ়ি থাকোঁতে তেখেতে স্কুল টুৰ্নামেণ্ট খেলিছিল আৰু বৰপেটা চৰকাৰী হাইস্কুলৰ ফুটবল দলটোৰ তেখেত আছিল অধিনায়ক। পাছলৈ বিশেষকৈ কলেজত পঢ়া সময়ত তেখেতে খেলা-ধুলা একেবাৰে বাদ দি পঢ়াতহে মন দিছিল।

সকলো বাধা-বিঘিনি নেওচি কঠোৰ প্ৰৰিশ্ৰম কৰি তেখেতে স্কুলীয়া শিক্ষা শেষ কৰিলে। যথা সময়ত **১৯১১** চনত স্কুল শিক্ষান্ত পৰীক্ষাত বহিল। সেইবছৰৰ পৰাই কলিকতা বিশ্ববিদ্যালয়ে আগৰ এণ্ট্ৰেন্স পৰীক্ষা সলনি কৰি প্ৰথমবাৰৰ বাবে প্ৰৱেশিকা পৰীক্ষা প্ৰৱৰ্ত্তন কৰে। তেতিয়া পৰীক্ষাৰ কেন্দ্ৰ আছিল একমাত্ৰ গুৱাহাটীত। তেওঁলোক পৰীক্ষাত বহিবৰ কাৰণে বৰপেটাৰ পৰা খোজ কাঢ়ি আহিছিল। শুনামতে আহোঁতে বাটত তেখেতৰ জ্বৰ উঠিছিল আৰু দৌলাশাল নামৰ গাঁও এখনত তেখেতে এঘৰ মানুহৰ ঘৰত বিশ্ৰাম ল'ব লগা হৈছিল। যি নহওক, সময়মতে তেখেত গুৱাহাটী পাইছিল। **১৯১১** চনৰ প্ৰৱেশিকা পৰীক্ষাত অসম উপত্যকাৰ ভিতৰত দ্বিতীয় স্থান অধিকাৰ কৰিবলৈ তেখেত সক্ষম হয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে সেইবছৰত অসম উপত্যকাত প্ৰথম স্থান অধিকাৰ কৰিছিল বাণীকান্ত কাকতিদেৱে।

প্ৰৱেশিকা পৰীক্ষা পাছ কৰাৰ পাছত তেখেতৰ অসুবিধা বহুত পৰিমাণে কমি আহিল। মৌজাদাৰৰ আৰ্থিক সাহায্য অব্যাহত থকাৰ উপৰি পৰিমাণো বঢ়াই দিলে। তদুপৰি বৰপেটাৰ দুই-এজন বিশিষ্ট ব্যক্তিয়ে তেখেতক মাজে সময়ে সহায় আগবঢ়াব বুলি কথা দিলে। বন্ধু-বান্ধৱ, শুভাকাংক্ষীৰ পৰা আৰ্থিক সাহায্যৰ আশ্বাস পাই মনৰ অদম্য উৎসাহত **১৯১১** চনত গুৱাহাটীৰ কটন মহাবিদ্যালয়ৰ প্ৰথম বাৰ্ষিক কলা শাখাত নাম ভৰ্তি কৰিলে। প্ৰায় এমাহমান যোৱাৰ পাছত তেখেতে অনুভৱ কৰিলে যে তেখেতে কলাতকৈ বিজ্ঞানহে বেছি ভাল পায়, বিশেষকৈ অংক। সেয়েহে সেই সময়ৰ অধ্যক্ষৰ অনুমতি সাপেক্ষে তেখেতে বিজ্ঞান শাখাত যোগ দিলে। সেই সময়ত অধ্যক্ষৰ অনুমতি লৈ কলা শাখাৰ পৰা বিজ্ঞান শাখালৈ যাব পৰা নিয়ম প্ৰচলিত আছিল। **১৯১৩** চনত তেখেতে আই.এছ.চি. পৰীক্ষাত প্ৰতিযোগিতামূলক বৃত্তিসহ উত্তীৰ্ণ হয়। আই.এছ.চি. পৰীক্ষাৰ বিশদ বিৱৰণ সংগ্ৰহ কৰিব পৰা নগ'ল।

আই.এছ.চি. পাছ কৰাৰ পাছত তেখেত ঢাকাৰ চৰকাৰী কলেজত ভৰ্ত্তি হয়। কটন মহাবিদ্যালয় এৰি ঢাকালৈ কিয় গ'ল? বহুতৰ মনত এইটো এটা ডাঙৰ প্ৰশ্ন। অনুসন্ধান কৰি জানিব পৰা গ'ল যে সেই সময়ত কটন মহাবিদ্যালয়ত অংক বিষয়ত অনাৰ্চ নাছিল আৰু অংকত অনাৰ্চ ল'বলৈ তেখেতৰ একান্ত হেপাঁহ। সেয়েহে তেখেতে একমাত্ৰ অংকত অনাৰ্চ পঢ়িবৰ বাবেই সুদূৰ ঢাকালৈ গৈছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে তাৰ দুই বছৰ পাছতহে কটন মহাবিদ্যালয়ত অংক বিষয়ত অনাৰ্চ খোলা হৈছিল। **১৯১৫** চনত গণিত বিষয়ত অনাৰ্চত তেখেতে প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি কলিকতা বিশ্ববিদ্যালয়ৰ স্নাতক ডিগ্ৰী লাভ কৰে। যিকোনো বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰা তেখেতেই প্ৰথম অসমীয়া ছাত্ৰ। ঢাকাত পঢ়া কাৰণে বহুতেই ভাবে তেখেত ঢাকা বিশ্ববিদ্যালয়ৰ ছাত্ৰ। বহুত লেখাত এইটো ভুলকৈ প্ৰকাশও পাইছে। তেখেতৰ স্নাতক ডিগ্ৰীৰ প্ৰপত্ৰ পৰীক্ষা কৰি দেখা গৈছে যে তেখেত কলিকতা বিশ্ববিদ্যালয়ৰহে ছাত্ৰ, ঢাকাৰ নহয়।

**১৯১৫** চনত বি.এছ.চি. পৰীক্ষা পাছ কৰাৰ পাছত কলিকতা বিশ্ববিদ্যালয়ত মৌলিক গণিতত (Pure Mathematics) এম.এছ.চি. পঢ়িবলৈ লয়। একে সময়তে ৰাতিপুৱাৰ আইন কলেজতো ভৰ্তি হয়। সেই সময়ত কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আছিল

বেংগল কেশৰী ছাৰ আশুতোষ মুখাৰ্জী। তেখেত নিজে অংকৰ বিদগ্ধ পণ্ডিত আছিল। অতি সোনকালে এই বিশেষ মেধাসম্পন্ন ল'ৰাজন তেখেতৰ চকুত পৰিল আৰু এজন অতি প্ৰিয় ছাত্ৰ হৈ পৰিল। ১৯১৭ চনৰ এম.এছ.চি. পৰীক্ষাত বহিল। পৰীক্ষাৰ ফলাফল ওলাল। কামেশ্বৰ দাসৰ নাম ফলাফলৰ তালিকাত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থানত প্ৰকাশ পালে। তেখেতৰ বিশ্বাস আছিল তেখেতেই প্ৰথম হ'ব। ফলাফলে তেখেতক অলপ হতাশ কৰিলে। বন্ধু-বান্ধৱ, অধ্যাপক সকলোৱে উপদেশ দিলে পৰীক্ষাৰ বহী পুনৰ নিৰীক্ষণৰ বাবে আবেদন কৰিবলৈ। তেখেতে সকলোৰে উপদেশ ক্ৰমে বিশ্ববিদ্যালয়ৰ কতৃপক্ষৰ ওচৰত বহী পুনৰ নিৰীক্ষণৰ বাবে আবেদন জনালে। আবেদন অনুসৰি পৰীক্ষাৰ বহী পুনৰ পৰীক্ষা কৰি চোৱা হ'ল। সংশোধিত পৰীক্ষাৰ ফলাফলত দেখা গ'ল যে সঁচাকৈয়ে কামেশ্বৰ দাস প্ৰথম শ্ৰেণীৰ প্ৰথম হৈছে।

এম.এছ.চি. পৰীক্ষাত তেখেতে সোণৰ পদক লাভ কৰিলে। তেখেতেই যিকোনো বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰা প্ৰথম স্নাতকোত্তৰ ডিগ্ৰীধাৰী অসমীয়া ছাত্ৰ। লগতে তেখেতক নামনি অসমৰ প্ৰথম এম.এছ.চি. বুলিও জনা যায়। একে সময়তে তেখেতে বি.এল. ডিগ্ৰী লাভ কৰে।

পঢ়াকালত তেখেত 'Calcutta Mathematical Society'ৰ সদস্য আছিল। এম.এছ.চি. পৰীক্ষাৰ ফলাফল মনঃপুত হোৱাত ছাৰ আশুতোষ মুখাৰ্জীয়ে অসম চৰকাৰলৈ তেখেতক গৱেষণা কৰিবৰ কাৰণে জলপানি দিবলৈ লিখিছিল। অসম চৰকাৰে মুখাৰ্জীদেৱৰ অনুমোদন ক্ৰমে তেখেতক এবছৰৰ কাৰণে এটা জলপানিৰ ব্যৱস্থা কৰিছিল। এই এবছৰৰ ভিতৰত তেখেতে গৱেষণাত কিছু সাফল্যও লাভ কৰিছিল। গৱেষণা কৰিছিল C. E. Cullis নামৰ এজন অধ্যাপকৰ তত্বাৱধানত। সেই সময়তে তেখেতে 'Theory of Determinant' (Vol II) নামৰ জাৰ্ণেলত এখন গৱেষণা-পত্ৰ প্ৰকাশ কৰিবলৈ সক্ষম হৈছিল। গৱেষণা-পত্ৰখন খুব সম্ভৱ বীজগণিতৰ আছিল। বহু চেষ্টা কৰিও পত্ৰখন উদ্ধাৰ কৰিব পৰা নগ'ল। এবছৰীয়া জলপানি বন্ধ হোৱাত তেখেতৰ গৱেষণাৰ কামো বন্ধ কৰি দিব লগা হ'ল আৰু কলিকতাৰ পৰা উভতি আহিল।

কলিকতাৰপৰা উভতি অহাৰ কিছুদিন পাছত কলিকতা বিশ্ববিদ্যালয়ৰ অংক বিভাগত এটা প্ৰবক্তাৰ পদ খালি হয়। সেই সময়ৰ কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ছাৰ আশুতোষ মুখাৰ্জী যথেষ্ট প্ৰভাৱশালী লোক আছিল। তেখেতে নিজেই প্ৰবক্তা, অধ্যাপক আদিৰ বাছনি কৰিছিল আৰু নিয়োগো কৰিছিল। তেখেতে তৎক্ষণাৎ কামেশ্বৰ দাসক মাতি পঠিয়ালে, প্ৰবক্তা ৰূপে কলিকতা বিশ্ববিদ্যালয়ত যোগ দিবলৈ। সেই সময়ত যোগাযোগ ব্যৱস্থা বেয়া আছিল। তদুপৰি ভিতৰুৱা গাঁও বামাখাটালৈ চিঠিখন যাওঁতে যথেষ্ট পলম হৈছিল। প্ৰায় তিনিমাহ মান অপেক্ষা কৰাৰ পাছত দাস ডাঙৰীয়াৰ পৰা কোনো সঁহাৰি নাপাই মুখাৰ্জী ডাঙৰীয়াই প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান অধিকাৰ কৰা মোহিত ঘোষক নিযুক্তি দিয়ে। প্ৰায় ছয়মাহমান পিছত চিঠিখন পাই দাস ডাঙৰীয়া কলিকতা ওলাল আৰু মুখাৰ্জী ডাঙৰীয়াক দেখা কৰিলে । প্ৰথমে তেখেতক ধমক দিলে, কিন্তু সকলো কথা শুনাৰ পাছত তেখেতৰ প্ৰতি মুখাৰ্জী ডাঙৰীয়াৰ অনুকম্পা হ'ল। তেওঁক Imperial Bank ত (বৰ্তমান ভাৰতীয় ষ্টেট বেংক) এটা চাকৰি যোগাৰ কৰি দিলে। তেখেতে কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰবক্তা পদত যোগ দিব পৰা হ'লে কিজানি পাছলৈ অংকৰ এজন বিখ্যাত পণ্ডিত হ'ব পাৰিলেহেঁতেন, কিয়নো তাৰ ইংগিত ইতিমধ্যে আৰম্ভ কৰা গবেষণাৰ কামত ওলাইছিল। মহীশূৰৰ মহাৰজাই মহীশূৰ কলেজলৈ অংকৰ অধ্যাপকৰ পদ দি মাতিছিল। ৰেংগুন কলেজৰ পৰাও অধ্যাপক পদৰ আমন্ত্ৰণ পাইছিল। কিন্তু ঘৰুৱা অসুবিধাৰ কাৰণে দুয়োটা পদেই তেখেতে গ্ৰহণ কৰিব নোৱাৰিলে।

খুব সম্ভৱ নোবেল বঁটা বিজয়ী চি ভি ৰমণৰ গৱেষণাৰ বহুতো গাণিতিক গণনাত তেখেতে সহায় কৰি দিছিল। ৰমণ ডাঙৰীয়াৰ থিছিছৰ পাতনিত হেনো কামেশ্বৰ দাসৰ নাম উল্লেখ আছে। ১৯৫১ চনত

ৰমণ ডাঙৰীয়া কটন মহাবিদ্যালয়ৰ সোণালী জয়ন্তীত মুখ্য অতিথি হিচাপে যোগদান কৰিবলৈ আহি প্ৰথমে হেনো কামেশ্বৰ দাসৰ খবৰহে সুধিছিল। ইয়াৰ পৰাই ৰমণৰ লগত কামেশ্বৰ দাসৰ সম্পৰ্ক থকা বুজা যায়। সেইসময়ত দাস ডাঙৰীয়া অসম লোক সেৱা আয়োগৰ অধ্যক্ষ আছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে ১৯৪৫ চনত তেখেতে অসম লোকসেৱা আয়োগৰ অধ্যক্ষ ৰূপে কাৰ্যনিৰ্বাহ আৰম্ভ কৰে। তেখেতেই অসম লোকসেৱা আয়োগৰ প্ৰথম অসমীয়া অধ্যক্ষ। ৰমণ ডাঙৰীয়াই আহিয়েই তেখেতৰ খবৰ কৰাৰ কাৰণে কলেজ কৰ্তৃপক্ষই দাস ডাঙৰীয়াৰ গুৰুত্ব উপলব্ধি কৰি তেখেতক সোণালী জয়ন্তীৰ মুকলি অধিবেশনত ভাষণ দিবলৈ নিমন্ত্ৰণ কৰে।

দাসদেৱে গণিতক দৈনন্দিন জীৱনৰ কিছুমান কামত প্ৰয়োগ কৰিছিল। এটা বহুল প্ৰচাৰিত ঘটনা হ'ল যে তেখেতে ঘোঁৰা দৌৰৰ ঘোঁৰাৰ ৰং, গঠন আৰু ওজনৰ ওপৰত গাণিতিক গণনা কৰি কোনটো ঘোঁৰা জয়ী হ'ব তাৰ সম্ভাৱিতা উলিয়াব পাৰিছিল। এই ক্ষেত্ৰত তেখেতৰ সফলতা প্ৰায় ৮০ শতাংশ আছিল বুলি জনা যায়।

এবাৰ অসমৰ গবৰ্ণৰ ছাৰ Andrew চাহাব চৰকাৰী ভ্ৰমণত বৰপেটালৈ গৈছিল। তেতিয়া বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয় একেবাৰে চালুকীয়া অৱস্থাত আছে। কলেজৰ অধ্যক্ষ কামেশ্বৰ দাস আৰু উপাধ্যক্ষ শ্ৰীযুত চিদানন্দ দাস ডাঙৰীয়াই গৱৰ্ণৰক কলেজলৈ যোৱাৰ কাৰণে অনুৰোধ কৰিলে। তেখেত সন্মত হ'ল। অধ্যক্ষৰ কোঠাত বহি অধ্যক্ষক সুধিলে তেখেত কি বিষয়ৰ স্নাতক। অংকৰ বুলি কোৱাত এখিলা কাগজত এটা অংক লিখি চাহাবে অধ্যক্ষক অংকটো কৰিবলৈ দিলে। খুব সম্ভৱ চাহাবো অংকৰে ছাত্ৰ আছিল। অংকৰ লগত বহুত দিন সম্পৰ্ক নথকা কাৰণে দাস ডাঙৰীয়া অকণমান সময় থমকি ৰ'ল আৰু তাৰ পাছত অংকটো কৰি দিলে। অংকটো শুদ্ধ হোৱা কাৰণে গৱৰ্ণৰ সন্তুষ্ট হ'ল আৰু লগে লগে কলেজক গৱৰ্ণৰৰ আছুতীয়া ফাণ্ডৰপৰা ৪০০ টকাৰ এককালীন দান এটা দিলে। চাহাব ক্ৰিকেট প্ৰেমীও আছিল। কলেজৰ অধ্যক্ষৰ পাণ্ডিত্যত সন্তুষ্ট হৈ কলেজত যাতে ক্ৰিকেট খেলা হয় তাৰ কাৰণেও আৰ্থিক সাহায্য আগবঢ়াম বুলি কৈ গ'ল।

বিশিষ্ট মুক্তিযোদ্ধা, একালৰ মন্ত্ৰী দেৱেশ্বৰ শৰ্ম্মাই এবাৰ সাক্ষাৎকাৰত তেখেতৰ সহযোগী বহুতৰ কথাই কৈছিল। তাৰ মাজতে কামেশ্বৰ দাসৰ কথা এইদৰে কৈছিল – এবাৰ হেনো দুয়ো জেলত একেলগে আছিল। এদিন ৰাতি তেখেতে দেখিলে যে দাস ডাঙৰীয়া শোৱা নাই, কাগজ-কলম লৈ কিবা কৰি আছে। সোধাত হেনো ক'লে– "টোপনি অহা নাই, গতিকে বিছনাত এনেয়ে পৰি নাথাকি কিবাকিবি কৰি আছো।" শৰ্ম্মা ডাঙৰীয়াই ওচৰলৈ গৈ দেখিলে যে তেখেতে কাগজ-কলম লৈ অংক কৰি আছে। ৰগৰ কৰি শৰ্ম্মা ডাঙৰীয়াই হেনো ক'লে, জেলত থাকিও অংক পাহৰিব পৰা নাই? তেখেতে উত্তৰ দিছিল: অংক যে মোৰ তেজৰ লগত মিহলি হৈ আছে। ইয়াৰ পৰাই বুজা যায় তেখেতে অংক কিমান ভাল পাইছিল।

অখ্যাত গাঁও বামাখাটাৰ এটি গৰখীয়া ল'ৰা এদিন বিখ্যাত হৈ উঠিছিল। অলংকৃত কৰিছিল অসম লোকসেৱা আয়োগৰ অধ্যক্ষৰ পদ, প্ৰতিষ্ঠা কৰিছিল অসমৰ দুখন নামী মহাবিদ্যালয়– বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয় আৰু পাঠশালাৰ বজালী মহাবিদ্যালয়। সাধুকথাত থাকে গৰখীয়া ল'ৰা ৰজা হোৱাৰ কথা। এয়া কিন্তু সাধুকথা নহয়, বাস্তৱ সত্য। অসমৰ প্ৰথম 'প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান' অধিকাৰ কৰা অংকৰ ছাত্ৰজনৰ অদ্ভুত জীৱনী।

(**লেখকৰ টোকা:** *এই প্ৰবন্ধটো যুগুত কৰোঁতে স্বৰ্গীয় দাসদেৱৰ জ্যেষ্ঠ পুত্ৰ আৰু কনিষ্ঠা কন্যাই বহু সহায় কৰিছে। বহুতো তথ্যৰ যোগান ধৰিছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন পঞ্জীয়ক শ্ৰীচিদানন্দ দাসদেৱে। সহায় লোৱা হৈছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ৰোহিনীকুমাৰ মহন্তৰ আৰু চৌখুটি গাঁৱৰ কেইজনমান বয়োজ্যেষ্ঠ লোকৰ।*

*কামেশ্বৰ দাস সম্বন্ধে যিবোৰ লেখা প্ৰকাশ পাইছে তাত তথ্যগত কিছুমান ভুল দেখা গৈছে। সেয়েহে এই প্ৰবন্ধত গোটেইবোৰ তথ্য মূল প্ৰ-পত্ৰ পৰীক্ষা কৰিহে দিয়া হৈছে।*)